**অসম বিধান সভা**

**তৰা বিহীন প্ৰশ্ন নং. ৪৫২**

**উত্তৰ দিয়াৰ তাৰিখঃ ২৩-০৭-২০২৬**

বিষয়ঃ বিদ্যালয়সমূহৰ খালী পদসমূহ পূৰণ কৰাৰ বাবে পদক্ষেপ।

বিধায়কঃ শ্ৰী পবিত্ৰ ৰাভাঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ৰাজ্যখনৰ চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহত খালী হৈ থকা শিক্ষক আৰু কৰ্মচাৰীৰ পদসমূহ পূৰণ কৰাৰ বাবে চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে জিলা ভিত্তিক বিৱৰণ দিব।

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেবে উত্তৰ দিবঃ

**উত্তৰঃ**

খালী থকা পদসমূহ পূৰণৰ বাবে, অসম চৰকাৰে অহা পাঁচ বছৰৰ ভিতৰত ৰাজ্যত ২ ( দুই ) লাখ চৰকাৰী চাকৰি সৃষ্টিৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে এক বিস্তৃত কৰ্মপৰিকল্পনা প্ৰস্তুত, নিৰীক্ষণ আৰু ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। পৰৱৰ্তী সময়ত, ৰাজ্যখনৰ চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয় সমূহত বৰ্তমান খালী হৈ থকা শিক্ষকৰ পদসমূহ আৰু তৃতীয়-চতুৰ্থ শ্ৰেণী পদসমূহ বিধিগত ব্যৱস্থাৰ জৰিয়তে পৰ্য্যায়ক্ৰমে পূৰণ কৰা হব।

**(প্ৰশ্নৰ উত্তৰ অসম বিধান সভাৰ (neva) পৰ্টেলত উপলব্ধ ।**

*****